# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

যোৱা নিশা দেহাৱসান ঘটা বৰ্ষীয়ান অভিনেত্ৰী জ্ঞানদা কাকতিৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়াৰ ভাগত শ্বিলঙৰ বৈদ্যুতিক শ্মশানত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত ভূগি থকা অভিনেত্ৰীগৰাকীৰ যোৱানিশা শ্বিলঙৰ এখন ব্যক্তিগত হাস্পতালত ৯২ বছৰ বয়সত দেহাৱসান হয়। পঞ্চম দশকত পাৰঘাট ছবিৰে চলচ্চিত্ৰৰ অভিনয় জগতত ভূমুকি মৰা জ্ঞানদা কাকতিয়ে অসমীয়া ছবি জগতত প্ৰায় চাৰি দশক ধৰি তেওঁৰ অনবদ্য অভিনয়েৰে দৰ্শকক আপ্লুত কৰি আহিছিল। তেওঁ অভিনয় কৰা ১৪ খন অসমীয়া ছবিৰ ভিতৰত উল্লেখযোগ্য ছবিসমূহ হৈছে- পিয়লি ফুকন, পুৰেৰুণ, সৰাপাত, লখিমী, ৰঙা পুলিচ, চাকনৈয়া, পুৱতি নিশাৰ সপোন, ওপৰ মহলা, শেষ বিচাৰ, প্ৰিয়জন আদি। বিদ্যুৎ চক্ৰৱৰ্তী পৰিচালিত আৰু ১৯৯৬ চনত মুক্তিপ্ৰাপ্ত ৰাগবিৰাগ ছবি আছিল তেওঁ অভিনয় কৰা অন্তিমখন ছবি। ১৯৫৯ চনত প্ৰভাত মুখাৰ্জীৰ পৰিচালনাত নিৰ্মিত পুৰেৰুণ ছবিখনৰ বাবে বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত তেওঁ দেশক প্ৰতিনিধিত্ব কৰিছিল।

০০০০০

লোক কৃষ্টি গৱেষণা উন্নয়ন সমিতি তথা চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম প্ৰাঙ্গণত চৰাইদেউ মহোৎসৱ ২০২৫-ৰ আয়োজন কৰা হৈছে। আজি পুৱা মাঙ্গলিক কাৰ্যসূচীৰে মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে স্বৰ্গদেউসকলৰ তৰ্পণ আৰু বান-ফি পূজা কৰা হয়। মহোৎসৱৰ আজি প্ৰথম দিনা খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি মন্ত্ৰী যোগেন মহনে খাদ্যমেলাৰ উদ্বোধন কৰে। টাই-আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে গ্ৰন্থ, বস্ত্ৰ আৰু কৃষিমেলাৰ উদ্বোধন কৰি চৰাইদেউ মৈদাম ক্ষেত্ৰত টাই সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে ১ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। এই মহোৎসৱতে টাই-আহোম উন্নয়ন পৰিষদে স্বৰ্গদেউ চাওলুং চ্যুকাফা মৈদাম সংৰক্ষণৰ আধাৰশিলা স্থাপন কৰিব বুলি উন্নয়ন সমিতিয়ে প্ৰকাশ কৰিছে। এই মহোৎসৱ সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰে ------ **ভইচ (নবুল কোঁৱৰ)**

মহোৎসৱৰ পৰৱৰ্তী দিনৰ বিভিন্ন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী কেবিনেট মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ কথা।

০০০০০

অসমবাসীৰ বাপতিসাহোন ভোগালী বিহুলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। বিগত দুদিন ধৰি ৰাজ্যত বৃদ্ধি পোৱা শীতৰ প্ৰকোপকো নেওচি জীয়ৰী-বোৱাৰীসকল

পিঠা-পনা, সুস্বাদু বিহুৰ জলপানকে ধৰি উপাদেয় সামগ্ৰী প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰিছে। একেদৰে ডেকাসকল মেজি, ভেলাঘৰ সাজি উলিৱাইছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আটকধুনীয়াকৈ মেজি সজাও দেখা গৈছে। ভোগালী বিহুৰ বাবে গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইত ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গুৱাহাটীৰ সিদ্ধিনাথ শৰ্মা ভৱনত আয়োজিত ভোগালী মেলাত বিভিন্ন থলুৱা খাদ্য, পিঠা-পনা, সান্দহগুড়িকে ধৰি নানান সামগ্ৰী মুকলি কৰা হৈছে। **চৰাইদেউ** জিলাৰ সোণাৰীৰ ভাগৱতী প্ৰসাদ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজিৰে পৰা তিনি দিনীয়াকৈ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত ভোগালী মেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ আয়ুক্ত ডাঃ নেহা যাদৱে এই মেলাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত আয়ুক্তগৰাকীয়ে গ্ৰাহকৰ চাহিদা অনুসৰি খাদ্য-সামগ্ৰী প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে ডিজিটেল মঞ্চসমূহত থলুৱা খাদ্য-সামগ্ৰীৰ চাহিদা আছে বুলি মন্তব্য কৰে। **নগাঁও** চহৰৰ কলঙৰ বাকৰিত নেহৰুবালিত আজি ভোগালী মেলা আৰম্ভ হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত তথা অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সহযোগত আয়োজিত এই মেলাত কমেও ৩০ খন বিপণীয়ে অংশ লৈছে। পৰহিলৈ এই মেলাৰ সামৰণি পৰিব। **মাজুলী**ৰ বনগাঁও শংকৰদেৱ শিশু নিকেতনত আজি শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সৈতে লগ হৈ চুঙা পিঠা পুৰি পিঠাৰ জুতি লয়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ প্ৰয়াস কৰোৱা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতাৰ আবেদন পত্ৰ গ্ৰহণৰ কাইলৈ হৈছে অন্তিম দিন। ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীসকলে কাইলৈ ১০ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ আকাশবাণী গুৱাহাটী চানমাৰিত থকা কাৰ্যালয়ত নিজ হাতে জমা দিব পাৰে।

০০০০০

সমাপ্ত